দিনটোতে—

এছিয় মহিলা সাঁতোৰবিদ আৰতি সাহাই
পাৰ হয়
কতাত বিৰলা তৰাঘৰ মুকলি
নেতা মেহমুদৰ জন্ম
ত পণ্ডিত সত্যব্ৰত শাস্ত্ৰীৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

২ আহিন ১৯৪৬ শক ☐ ২৯ ছেপ্টেম্বৰ ২০২৪ চন ☐ VOL-14 ☐ NO-204 ☐ SUNDAY 29 SEPTEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE- J1

## ডিএইচএছ কানৈ মহাবিদ্যালয়ত মননশীল অনুষ্ঠান

# ডিব্ৰুগড়ত কথা-কবিতা-নৃত্য-গীতৰ এঙামুৰি অনুষ্ঠান সম্পন্ন

নিজস্ব বাৰ্তা, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ ঐতিহ্যমণ্ডিত ডিএইচএছ কানৈ মহাবিদ্যালয়ত ২৬ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ উদ্যোগত 'কথা, কবিতা আৰু নৃত্য-গীতৰ এঙামুৰি' শীৰ্ষক এক মননশীল অনুষ্ঠান অনুষ্ঠিত হয়। ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— কলা সাহিত্যৰ চৰ্চাই এখন সমাজ সুন্দৰ কৰে। এখন সমাজ সুষ্ঠ কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সাহিত্য-সংস্কৃতিৰ চৰ্চা অধিক হোৱাতো প্ৰয়োজন বুলি মত প্ৰকাশ কৰি কয়— ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতি সপ্তাহত এনে এক সাহিত্য চৰ্চাৰ কাৰ্যসূচী অনুষ্ঠিত কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ দিশত প্ৰতিভা বিকাশত সহায়ক হ'ব। অনুষ্ঠানত শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মাই এটি সুন্দৰ বাভা সংগীত পৰিৱেশনেৰে ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকনে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে চিন্ময় কলিতা, পাৰ্থ বৰা, অনুশ্ৰী বৰপাত্ৰগোহাঁই, চয়ণিকা বুঢ়াগোহাঁই, কৰিণা বৰুৱা, বিতুপন চবৰ, পৰিস্মিতা দত্তকে ধৰি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে। গীত পৰিৱেশন কৰে ক্ৰমে অংশুমান সভাপণ্ডিত কাশ্যপ, উৎপল কুৰ্মী, বেদব্যাস বড়ি, চৌমিন হাজৰিকা, স্বপ্নীল ফুকন, কাবেৰী ফুকন, প্ৰণামী চাৰহ, ভাৰ্চি গগৈ, আইছেংফা কোঁৱৰৰ লগতে বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে, বাঁহীবাদন কৰে স্নেহময় ফুকন আৰু 'নীলা খামৰ চিঠি' পাঠ কৰে ভাগ্যশ্ৰী বৰুৱাই। অনুষ্ঠানত ছাত্ৰ একতা

৮ পৃষ্ঠাত

